**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-DEC-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত নতুন দিল্লীত কালি অসমৰ ৰাভা, মিছিং আৰু তিৱা জনগোষ্ঠীৰ এটা প্ৰতিনিধি গোটৰ সৈতে বৈঠকত মিলিত হয়। গৃহমন্ত্ৰীগৰাকীয়ে জনগোষ্ঠীকেইটাৰ প্ৰতিনিধিৰ দাবীসমূহ শুনাৰ লগতে প্ৰকৃত সমস্যাসমূহ সমাধানৰ আশ্বাস প্ৰদান কৰে। এই বৈঠকতে গৃহমন্ত্ৰীগৰাকীয়ে জনগোষ্ঠীকেইটাৰ সমস্যা সৌহাদ্যপূৰ্ণ তথা দীৰ্ঘম্যাদিভাৱে সমাধান কৰিবৰ বাবে এগৰাকী জ্যেষ্ঠ বিষয়াক নিয়োগ কৰিব বুলি প্ৰকাশ কৰে। ইফালে এই বৈঠকৰ পাছতে সংগঠনকেইটাই এখন সংবাদমেল সম্বোধন কৰি কয়, যে কেন্দ্ৰীয় গৃহমন্ত্ৰীক কৰা সাক্ষাৎ সৌহাদ্যপূৰ্ণ আছিল। এই সাক্ষাতে জনগোষ্ঠীকেইটাৰ সমস্যাসমূহ সমাধানৰ বাট মুকলি কৰিব বুলি উল্লেখ কৰি কয়, যে কেন্দ্ৰীয় গৃহ বিভাগে মধ্যস্থতাকাৰী নিয়োগৰ বাবে আগবঢ়োৱা প্ৰস্তাৱে সকলোৰে বাবে আশাৰ ৰেঙণি কঢ়িয়াইছে।

০০০০০০

ৰাজ্য চৰকাৰে পশ্চিম কাৰ্বি আংলংৰ খেৰণিৰ উচ্ছেদৰ সন্দৰ্ভত ৰুজু হৈ থকা গোচৰটোৰ শীঘ্ৰে ৰায়দানৰ বাবে উচ্চ ন্যায়ালয়ক আহ্বান জনাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কালি দিছপুৰত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কাৰ্বি জনগোষ্ঠীৰ কেইবাটাও দল সংগঠনৰ প্ৰতিনিধিৰ সৈতে বৈঠকত অংশ লোৱাৰ অন্তত সংবাদ মাধ্যমৰ আগত এই মন্তব্য কৰে। তেওঁ কয় যে বিষয়টো ন্যায়ালয়ৰ বিচৰাধীন হৈ থকাৰ  বাবে উচ্ছেদৰ সন্দৰ্ভত চৰকাৰে কোনো সিদ্ধান্ত ল’ব পৰা নাই। খেৰণিৰ ভিজিআৰ-পিজিআৰ ভূমিত থকা চৰকাৰী কাৰ্যালয়সমূহ স্থানান্তৰ কৰা হ’ব বুলি উল্লেখ কৰি মুখমন্ত্ৰীগৰাকীয়ে কয় যে এই অঞ্চলসমূহ সম্পূৰ্ণৰূপে বেৰা দি বনানীকৰণৰ ব্যৱস্থা কৰা হ’ব। আৰক্ষীৰ গুলীত মৃত্যু হোৱা কাৰ্বি জনগোষ্ঠীৰ পৰিয়ালক ৰাজ্য চৰকাৰে ১০ লাখ টকাৰ ক্ষতিপূৰণ দিব বুলিও মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে। তেওঁ কয় যে ব্যক্তিগৰাকীৰ পৰিয়ালৰ এজন লোকক পৰিষদে চাকৰি দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে বৈঠকখনত ৰাজহ মন্ত্ৰী কেশৱ মহন্ত, অসম আৰক্ষীৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়াৰ লগতে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙেও অংশ লয়।

০০০০০০

বিশ্বনাথ জিলাৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ ১৪৪ গৰাকী স্নাতক আৰু ৩৪ গৰাকী স্নাতকোত্তৰ শিক্ষক-শিক্ষয়িত্ৰীক সংশ্লিষ্ট শিক্ষানুষ্ঠানত যোগদানৰ নিৰ্দেশৰ প্ৰতিলিপি কালি আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। বিশ্বনাথ জিলা পৰিষদৰ সভাকক্ষত আয়োজিত এটা অনুষ্ঠানত বিশ্বনাথৰ জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই নিৰ্দেশ পত্ৰসমূহ বিতৰণ কৰে। অনুষ্ঠানত অতিৰিক্ত জিলা আয়ুক্ত কবিতা কাকতি কোঁৱৰ, বিদ্যালয় পৰিদৰ্শক প্ৰভাত দাস, আৰু শিক্ষা বিভাগ তথা জিলা প্ৰশাসনৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

জিলা আয়ুক্ত শ্ৰী চহৰীয়াই সকলোকে সেৱাৰ মনোবৃত্তি, যোগাত্মক দৃষ্টিভংগী আৰু গুণগত শিক্ষাৰ জৰিয়তে জিলাখনৰ শৈক্ষিক মান উন্নত কৰিবলৈ আহ্বান জনাই এইদৰে কয় –

** বাইট (লক্ষ্মীনন্দন চহৰীয়া)**

০০০০০০

গোলাঘাট জিলা সাহিত্য সভাৰ নৱম বাৰ্ষিক অধিৱেশনখন অংকুৰণ শাখা সাহিত্য সভাৰ আতিথ্যত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। বোকাখাতৰ ৰজাবাৰী শংকৰদেৱ শিশু নিকেতনত আয়োজন কৰা অধিৱেশনৰ আজি গোলাঘাট জিলা সাহিত্য সভাৰ সভাপতি বন্তি বৰাই পতাকা উত্তোলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ পাছতেই উপ-সভাপতি মুহিৰাম লয়িঙে শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভণি কৰিব। পুৱা চাৰে ১০ বজাত কাৰ্য নিৰ্বাহক সভা আৰু তাৰ পাছতেই বিয়লি ২ বজাত প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা ৯ বজাত সাংস্কৃতিক শোভাযাত্ৰাৰ পাছতেই আজীৱন সভ্যৰ সন্মিলন, মুকলি সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব। দিনৰ ১২ বজাত আয়োজিত মুকলি সভাখন মন্ত্ৰী অতুল বৰাই উদ্বোধন কৰাৰ কথা।

০০০০০০

যোৰহাটৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী, ৰজামৈদাম গজপুৰীয়া পথ নিবাসী সূৰ্যকান্তি দাসৰ কালি দেহাৱসান ঘটে। দৰঙীচুক প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা শিক্ষয়িত্ৰীগৰাকীৰ মৃত্যুত বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**